# সাহিত্যৰ লঘু-গুৰু

(‘মেগৰ’-ভাষণ)

সভাপতি মহেদয়, ড° অনন্তমূৰ্তি, উপস্থিত সুধীবৃন্দ!

আপোনালোকৰ সাদৰ অনুমতি পাইছোঁ বুলি ধৰি লৈ প্ৰথমতে মোৰ ডেকা বয়সৰ দুটা মান সৰু ঘটনা উল্লেখ কৰিব খুজিছোঁ। বহু বছৰ আগেয়ে যেতিয়া আমি গুৱাহাটীৰ পাণবজাৰত আছিলোঁ, আমাৰ ৰাস্তাটোৰ কোণত আছিল এটা সৰু অসম আৰ্হিৰ ঘৰ। সমুখৰ এটুকুৰা ফলকত ইংৰাজীৰে লিখা আছিল ‘এলিট্ মে’ছ’। তাত আছিল কেইজন মান কলেজীয়া ছাত্ৰ, ঘাইকৈ কটনিয়ান (সেই সময়ত চহৰত কলেজ বুলিবলৈ আছিল ঘাইকৈ কটন আৰু আইন কলেজ)। আমি যেতিয়া স্কুললৈ যাওঁ (বা হয়তো তেতিয়া কলেজ সোমাইছোঁ মাত্ৰ) মাজে-মাজে দেখোঁ এজন চুটি-চাপৰ, আটিল দেহাৰ ছাত্ৰ হয়তো মেছটোত সোমাইছে বা তাৰপৰা ওলাই লৰালৰিকৈ ক’ৰবালৈ খোজ লৈছে—আমাৰ এজনে তেওঁৰ পিনে টোঁৱায় আৰু কয়, “সেয়া চৈয়দ আব্দুল মালিক”। এদিন ঘৰটোৰ এখন খিৰিকিৰ সন্মুখত আমাৰ এজন ৰ’ল আৰু ক’লে, “চা, চা, আব্দুল মালিকে দাড়ি খুৰাইছে।” কোঠাটো আছিল আধা এন্ধাৰ, খিৰিকিৰ কাষৰ ৰ’দৰ চোপটোত সৰু আয়না এখনৰ সন্মুখত অস্পষ্ট মূৰ্তি এটিয়ে মুখত চাবোন ঘঁহিছে। আমি প্ৰায় আধা মিনিট মান সেইপিনে চাই থাকিলোঁ, তাৰপাছত আমাৰ বাট ল’লোঁ।

হয়, আমাৰদৰে আধা সিজা ল’ৰাৰ কাৰণে তেতিয়া চৈয়দ আব্দুল মালিক এটি থৰ লাগি চাই থাকিবলগীয়া বস্তুৰেই আছিল। ভয় বা বিস্ময়ত নহয়, মাথোঁ প্ৰশংসাৰ চকুৰে। ইতিমধ্যেই তেওঁ এজন চুটি গল্পৰ লেখক হিচাপে বিখ্যাত, আমাৰ বহুতেই তেওঁৰ গল্প পঢ়িছোঁ। তেতিয়া অসমীয়া আলোচনী আদি আছিল মাথোঁ কেইখনমান ঃ **ৰামধেনু**, **জয়ন্তী**, **সুৰভি**, কেতিয়াবা এখন **আৱাহন**, মাধৱ বেজবৰুৱাৰ **বাঁহী**, দুই-এখন সাপ্তাহিক বা তিনিদিনীয়া, বছৰত এখন **বৰদৈচিলা**—আমাৰ ঘৰত প্ৰায় আটাইবোৰ আলোচনীয়ে লৈছিল, গতিকে মই মালিকৰ প্ৰায় সকলো লিখাই পঢ়িবলৈ পাইছিলোঁ। সেই সময়ত আজিৰদৰে কাকত-আলোচনীৰ বিভ্ৰান্তিকৰ প্ৰাচুৰ্য নাছিল, কোনো এজন লেখকৰ লেখনিৰ আঁত ৰখাটো সহজ আছিল।

প্ৰায় সেই সময়তে মোক এজনে পৰিচয় কৰাই দিলে আন এজন উদীয়মান ডেকা লেখকৰ লগত, এইজনো আছিল এটা মেছত, লতাশিল পথাৰৰ উত্তৰ পিনে (বোলছবি-নিৰ্মাতা ব্ৰজেন বৰুৱা, নিপ বৰুৱাৰ ঘৰৰ কাষত)। এইজন লেখক আছিল মজলীয়া গঢ়ৰ, অতি শান্ত কথা-বাৰ্তা, মুখত এটা অমায়িক হাঁহি। তেখেতৰ চুটি গল্পবোৰো আমি তেতিয়া আগ্ৰহেৰে পঢ়িছিলোঁ। মালিকৰ ক্ষেত্ৰত হোৱাৰদৰে, বছৰ বাগৰি যোৱাৰ লগে-লগে এইজন লেখকৰো গল্প-উপন্যাসৰ আঁত মই হেৰুৱাই পেলাইছোঁ, কিন্তু তেখেতৰ লগত মাজে-মাজে কেতিয়াবা খুব অলপ সময়ৰ বাবে দেখা হৈছে, সেই একেজন শান্ত মৃদুভাষী মানুহ, মুখত সেই একেটা অমায়িক হাঁহি ঃ আমাৰ সৰ্বজনশ্ৰদ্ধেয় শ্ৰীযুত যোগেশ দাস। তেখেতৰ লগত অকণ মান সময় কথা পাতিলেও অনুভৱ কৰা গৈছিল যে সুসংগত আছোঁ। আমাৰ ধাৰণাবোৰ আহে ইটোৰ লগত সিটো বস্তুৰ সম্বন্ধৰ যোগেদি, যাক ইংৰাজীত কয়, ‘এছ’চিয়েশ্যন’ (association), সংস্কৃতত কয় সংসৃষ্টি, আৰু তেনেকৈয়ে হয়তো ধাৰণা আহিছিল যে চুটি গল্প লিখাটো নিশ্চয় এটা ভাল কথা।

এই দুটি নাম মই ইয়াত টানি অনাৰ কাৰণটো এয়ে যে দুয়োজনেই ‘ব্ৰহ্মপুত্ৰ উপত্যকা সাহিত্য বঁটা’ৰ ক্ষেত্ৰত মোৰ পূৰ্বগামী। তেখেতসকলৰ লগত, আৰু আগৰ আনকেইজন বিশিষ্ট বঁটা-বিজয়ীৰ লগত, মই নিশ্চয় সুসান্নিধ্যৰ সৌভাগ্য লাভ কৰিছোঁ।

কিন্তু মোৰ মনত সংশয় আছে। মোৰ ধাৰণা হৈছে মই অনধিকাৰ প্ৰৱেশ কৰিছোঁ। কাৰণ, সাহিত্যিক হোৱাৰ কোনো ইচ্ছা মোৰ নাছিল, সাহিত্যৰ তত্ত্ব বা ভাবনাসমূহৰ প্ৰতি কোনো দিনে মোৰ কোনো আগ্ৰহ ওপজা নাই। (মই হ’বলৈ ভাল পালোঁহেঁতেন হয়তো এজন বৈজ্ঞানিক, ধৰক এক অৰ্হতাসম্পন্ন পদাৰ্থবিজ্ঞানী, কিন্তু সেইবোৰ নহ’ল, মই আজিও আগৰদৰে মাথোঁ এজন বিজ্ঞানৰ ছাত্ৰ। যি হওক, সেই প্ৰসংগ পাছলৈ থ’লোঁ।) মোৰ হাতলৈ যি-যি আহে আৰু যি-যি পঢ়ি ভাল লাগে সেইবোৰকে মই পঢ়োঁ, বিশেষ বাছ-বিচাৰ নাই, কেতিয়াবা মনৰ কিবা ভাব প্ৰকাশ কৰিবৰ স্পৃহা জাগিলে দুই-এটা গল্প লিখোঁ, কিন্তু লিখোঁ ঘাইকৈ পইছাকেইটাৰ বাবে, বা হয়তো সম্পাদক নাইবা ৰেডিঅ’ৰ তাগিদাত। কিতাপ-পত্ৰত মোৰ ৰুচি তেনেই সাধাৰণ আৰু নিম্ন মানৰ, আৰু সেইটো কথা বোধহয় মোৰ লেখাবোৰতো ফুটি উঠে—বস্তুতঃ

এবাৰ এজন অতি সংবেদী আৰু সমঝদাৰ সমালোচকে অভিযোগ আনিছিল যে মই মহৎ সাহিত্যৰ প্ৰতি মুখ ভেঙুচাবৰ চেষ্টা কৰিছোঁ, আৰু যে মোৰ ভালেকেইটা গল্প তাড়িখানাৰ গল্প-গুজবতকৈ মাথোঁ সামান্যহে উচ্চ স্তৰৰ। কথাটো পঢ়ি মই বেছ স্ফুৰ্তি পালোঁ, কিয়নো তাড়িখানাৰ ভিতৰত মই আজিলৈকে সোমোৱা নাই, তাত কি ধৰণৰ গল্প-গুজৰ চলে এতিয়াহে তাৰ এটা আভাস পালোঁ—কিন্তু এইটো বুজি নাপালোঁ যে মইনো কেনেকৈ মহৎ সাহিত্যক মুখ ভেঙুচাব পাৰোঁ, মহৎ সাহিত্যৰ পিনে মুখে-মুখে চোৱাৰেই সাহসখিনি যেতিয়া মোৰ নাই। কিয়নো মই নিজে জানো যে মই ক'বলৈ গ'লে সাহিত্যিক বিচাৰত নিৰক্ষৰ, যাৰ কাৰণে মই সাহিত্যৰ আলোচনা-বিলোচনাৰপৰা দূৰে-দূৰে পলাই ফুৰোঁ, জানো যে মই মুখ মেলিলেই 'চিচিংফাক' হৈ যাব। যেনে- আজিলৈকে মই টলষ্টয়ৰ **যুদ্ধ আৰু শান্তি**ৰদৰে এখন অৱশ্যপাঠ্য উপন্যাসকে সম্পূৰ্ণকৈ পঢ়া নাই—অৱশ্যে তাৰ কেইবাখনো বোলছবি দেখিছোঁ আৰু অ'ত-ত'ত কিছুমান অংশ পঢ়িছোঁ আৰু অভিভূত হৈছোঁ, কিন্তু এই সুবৃহৎ উপন্যাসখন আদিৰপৰা অন্তলৈকে পঢ়াৰ কামটো সদায় পিছুৱাই থৈ আছোঁ। বোধহয় ইয়াৰ কাৰণ একধৰণৰ বৌদ্ধিক আলস্য—অৱশ্যে মোটা কিতাপ দেখিলেই যে মই ভয়ত শেঁতা পৰোঁ সেইটো নহয় (যেনে, ডিকেন্সৰ কোনো কিতাপ মই আধা পঢ়াকৈ এৰি দিব পৰা নাই), কিন্তু এই আলস্যও নিশ্চয় মোৰ নিৰক্ষতাৰ এটা কাৰক।

কেইবছৰ মান আগেয়ে মোৰ এজন বন্ধুৱে সাহিত্য-জগতত শেহতীয়াকৈ আলোড়ন তোলা এখন কিতাপৰ উচ্ছ্বসিত বৰ্ণনা দিলে, মিলান্ কুণ্ডেৰা নামৰ এজন লেখকৰ **অস্তিত্বৰ অসহনীয় লঘিমা** (ইংৰাজী নাম The Unbearable Lightness of Being), তেওঁৰ কথাবোৰ শুনি মোৰো বেছ আগ্ৰহ আহিল কিতাপখন পঢ়াৰ, কিন্তু যিটো কথাৰ কাৰণে এতিয়ালৈকে পঢ়া হোৱা নাই সেইটো হ'ল তাৰ গ্ৰন্থণৰ অসাধ্য গধুৰতা—বোধহয় এয়াও মোৰ নিৰ্বিকাৰ টুলুঙা প্ৰকৃতিৰেই পৰিচায়ক। কিছুমান বিখ্যাত কিতাপ আজিলৈকে নপঢ়াকৈ থকাৰ আন এটা কাৰণ এয়ে যে সমালোচকসকলে মোৰ লেখাবোৰৰ বিষয়ে কিছুমান বৰ আচহুৱা ধৰণৰ কথা কয়, 'চেতনাপ্ৰৱাহ', 'এলিয়েনেশ্যন', 'সামাজিক দায়বদ্ধতা' আৰু কিবাকিবি, যিবোৰ কথা পঢ়ি বিমোৰত পৰোঁ, একো বুজিব নোৱাৰোঁ, ফলত পঢ়িম-পঢ়িম বুলি ভাবি থকা কিছুমান কিতাপ পঢ়িবলৈ ইচ্ছা নোহোৱা হৈ যায়। যেনে, যেতিয়া অ'ত-ত'ত পঢ়িবলৈ পালোঁ যে মোৰ লেখাত জেইমছ জয়ছৰ **ইউলীছেছ** (Ulysses) উপন্যাসৰ 'চেতনা-স্ৰোত'ৰ প্ৰভাৱ পৰিছে, যিখন কিতাপ কিন্তু মই পঢ়াই নাই, তেতিয়া কিতাপখন হাতলৈ আহিলত দেখিলোঁ সেইখন পঢ়াৰ প্ৰবৃত্তি লোপ পাইছে—অৱশ্যে আশা কৰি আছোঁ অদূৰ ভৱিষ্যতেই **ইউলীছেছ**খন (আৰু তেওঁৰ আন এখন বহু চৰ্চিত কিতাপ **ফিনেগানছ ৱেইক**—Finnegans Wake) পঢ়ি পেলাম। সমালোচকসকল কিন্তু তথাপি নাছোৰবান্দা, তেওঁলোকে কয়, যদি জেইমছ জয়ছৰ প্ৰভাৱ পৰা নাই তেতিয়া নিশ্চয় ভাৰ্জিনিয়া উল্‌ফৰ প্ৰভাৱ পৰিছে, আৰু এই ক্ষেত্ৰতো তেওঁলোকে জানি ল'ব নিবিচাৰে মই ভাৰ্জিনিয়া উল্‌ফ পঢ়িছোঁনে নাই। মোৰ বোধেৰে এই আহুকালটোৰ সৃষ্টি হৈছে মোৰেই দোষত—কিছুমান মানুহে যেনেকৈ নিজৰ প্ৰভাৱ-প্ৰতিপত্তি জাহিৰ কৰিবলৈ কথা-বতৰাৰ মাজে-মাজে বিখ্যাত বা প্ৰভাৱশালী লোকৰ নাম উল্লেখ কৰি যায়, ময়ো তেনেকৈ মোৰ গল্পত অ'ত-ত'ত কিছুমান কিতাপৰ নাম ভৰাই দিওঁ, সমালোচকসকলে ধৰি লয় যে মই সেইবোৰ পঢ়িছোঁ। মোৰ বিশ্বাস যে বিশ্বসাহিত্যৰ অতিমাত্ৰা গুৰুভোজনে কথাশিল্পীৰ বদহজমহে ঘটায়, আৰু সাহিত্যৰ শ্ৰেণী-বিভাজন, গতিধাৰা, আংগিক বনাম পাঠ আদিবোৰ বস্তুৰ গধুৰ বোজা ডিঙিত আঁৰি নোলোৱাই ভাল, তেতিয়াহে স্বচ্ছন্দ মনে নিজক প্ৰকাশ কৰাটো সম্ভৱ। অন্ততঃ মোৰ ক্ষুদ্ৰ বুদ্ধিয়ে সাহিত্যৰ তত্ত্ববোৰ ঢুকি নাপায়, গতিকে এইবোৰ লৈ মই মূৰ নঘমাওঁ। মুঠতে, বিশ্বসাহিত্যৰ লগত মোৰ পৰিচয় অতি উপৰুৱা ধৰণৰ, মোক সাহিত্যিক বুলি ক'ব নোৱাৰি।

তথাপি, হয়তো লঘু গল্প-উপন্যাসতে নিজকে বুৰাই ৰাখিও 'মহৎ' সাহিত্যৰ বেছ কিছু আভাস পাব পাৰি। আগতেই উল্লেখ কৰিছোঁ যে মোৰ ৰুচি অতি সাধাৰণ আৰু পাতল স্তৰৰ ঃ ঘাইকৈ ডিটেক্টিভ কাহিনী, হাঁহিৰ গল্প, কিছু বিজ্ঞানকল্প, লেচেৰী বোটলা, চুট্‌কি। বিজ্ঞানকল্প-কাহিনীক আজিও ভবা হয় সাহিত্যৰ 'মূল সুঁতি'ৰপৰা পৃথক বুলি—কিন্তু এইচ্.জি. ৱেলছ বা ৰে' ব্ৰেডবাৰী জানো সাহিত্য-জগতৰ প্ৰতিষ্ঠিত নাম নহয়? হাস্যৰসৰ ক্ষেত্ৰত, ধৰক জে'ৰম্ কে. জে'ৰম, মাৰ্ক টোৱেইন বা পি.জি. উডহাউছৰ লেখা হয়তো দেখাত গভীৰ ধৰণৰ সাহিত্য নহয়, মাথোঁ ধেমালি, কিন্তু অকল পি.জি. উডহাউছৰ কথাকে যদি ধৰোঁ, এজন বিশিষ্ট ইংৰাজ সমালোচকে জানো কোৱা নাই যে তেওঁ "সঁচাকৈয়ে আমাৰ অন্যতম শ্ৰেষ্ঠ লেখক"? ডিটেক্টিভ কাহিনীকো 'মহৎ' সাহিত্যৰ ভিতৰত ধৰা নহয়, কিন্তু এড্‌গাৰ এলেন প', ছাৰ আৰ্থাৰ কনান ডয়ল্ বা জি.কে. চেষ্টাৰটন নহয় জানো সাহিত্য-জগতৰ প্ৰতিষ্ঠিত নাম? তাৰপাছত ধৰক ডিটেক্টিভ আৰু অন্যান্য উপন্যাসৰ বেলজিয়ান লেখক জৰ্জ ছিমেন্ (Georges Simenon)। তেওঁৰ অপৰাধ-অনুসন্ধানৰ বৰ্ণনা অতি বাস্তৱানুগ, দ্ৰুতগতি আৰু পোনপটীয়া, আশ্চৰ্যজনকভাৱে মাজে-মাজে গভীৰ মনস্তাত্ত্বিক উপলব্ধি একোটাৰ চমক, মই মন্ত্ৰমুগ্ধৰদৰে পঢ়ি যাওঁ—এবাৰ ছিমেন্‌ৰ সোৱাদ পোৱাৰ পাছত য'ত যি ছিমেন্ পাইছোঁ গোগ্ৰাসে গিলি গৈছোঁ, যদিও জানো যে ছিমেন্ ফৰাচী সাহিত্যৰ কোনো বিশিষ্ট নাম নহয়, কিন্তু সেই লৈ মোৰ কোনো দুৰ্ভাবনাও নাই—এনেতে এদিন এঠাইত পঢ়িবলৈ পাই কি যে উৎফুল্ল হ'লোঁ, যে ফৰাচী সাহিত্যৰ প্ৰবাদপুৰুষ ন'বেল বঁটা বিজয়ী আদ্ৰেঁ জিদে কৈছে যে ছিমেন্ "এই শতিকাৰ সৰ্বশ্ৰেষ্ঠ ঔপন্যাসিক"! হয়তো আদ্ৰেঁ জিদে অলপ অতিৰঞ্জন কৰিছে, কিন্তু মোৰদৰে অসংখ্য ছিমেন্ অনুৰাগীৰ বাবে এই প্ৰশংসা কি যে সন্তোষদায়ক! লঘু ৰুচিৰ জখলাৰে যদি আৰু দুই ধাপ মান নামোঁ, আমি পাওঁহি, ধৰক 'ডিটেক্টিভ সম্ৰাজ্ঞী' আগাথা ক্ৰিষ্টি—অতি জনপ্ৰিয়, কাহিনীবোৰ অতি কৌশলী কিন্তু অতি কৃত্ৰিম আৰু অতি অবাস্তৱ, আৰু আগাথা

ক্রিষ্টি নিঃসন্দেহে এগৰাকী ‘সাহিত্যিকা’ নহয়। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ এসময়ৰ ইংৰাজীৰ বৰমূৰীয়া অধ্যাপক ড° অমৰেশ দত্তই এদিন মোক আচৰিত কৰি দি ক’লে যে তেখেতে এম-এ পাঠ্যক্রমত ‘সমান্তৰাল পাঠ’ নে কিবা হিচাপে আগাথা ক্রিষ্টিৰ **দি মেন্ ইন্ দি ব্রাউন ছ্যুট** কিতাপখন ভৰাই দিব খুজিছে—তেখেতে কাহিনীটোৰ লাস্যময় আংগিক, চমৎকাৰ ইংৰাজী আদি কেইটামান সাহিত্যিক উৎকৰ্ষৰ বিষয়ে দুটা মান কথা কৈছিল (কিন্তু মই কথাখিনি ঠিক ধৰিব নোৱাৰিলোঁ, কিয়নো সেই সময়ত ওপৰত এখন জে’ট বিমানৰপৰা এটা প্রচণ্ড শব্দ-প্রণাদৰ সৃষ্টি হৈ তেখেতৰ মাত ডুবাই দিলে।)

গতিকে দেখা যায় যে অতি লঘু ধৰণৰ লেখাৰ ভিতৰতো হয়তো কিছু ‘সাহিত্য’ বুলিব পৰা বস্তু থাকিব পাৰে, আৰু হয়তো মোৰ টুলুঙা লেখাবোৰৰ মাজতো এই বঁটাৰ নির্বাচকসকলে কিছু সাহিত্য জাতীয় বস্তুৰ আভাস পাইছে, সেয়ে হয়তো তেখেতসকলে মোক এই সাহিত্য বঁটাৰ বাবে মনোনীত কৰিছে, নাজানো।

সি যি হওক, যদি মোক সাদৰেৰে কিবা এটা সাহিত্য বঁটা দিয়া হৈছে, তেনেহ’লে বিব্রত বোধ কৰিলেও সেইটো তো নেওচিব নাপায়। এনেকুৱাবোৰ পৰিস্থিতিত মোৰ পথ প্রদর্শক হ’ল সুপ্রসিদ্ধ বৈজ্ঞানিক লর্ড ৰাডাৰফ’ৰ্ড। মোৰ বাবে আদর্শ ব্যক্তিৰ সংখ্যা অতি কম, বিজ্ঞানৰ ছাত্ৰ হিচাপে সঁচাকৈয়ে শ্রদ্ধা কৰিব পৰা বিৰল কেইগৰাকী মান বিজ্ঞানীৰ বিষয়ে জানিবলৈ পাওঁ, যেনে মাৰী ক্যুৰী, লুই পাষ্টুৰ, মাইকেল ফেৰাডে, আৰ্নেষ্ট ৰাডাৰফ’ৰ্ড। ৰাডাৰফ’ৰ্ডে নিজকে গণ্য কৰিছিল এজন পদাৰ্থবিজ্ঞানী বুলি, আৰু তেওঁ ৰসায়ন তথা ৰসায়নবিদসকলক লৈ অলপ-অচৰপ ৰগৰো কৰিছিল, কিন্তু তেওঁৰ পৰমাণু গঠন আৰু তেজস্ক্রিয়তাৰ তত্ত্ব ৰসায়নৰো বুনিয়াদী অংগ, গতিকে তেওঁক প্রদান কৰা হ’ল ৰসায়নৰ ন’বেল বঁটা। এই কথাত ৰাডাৰফ’ৰ্ড অতি বিৰক্ত আৰু অসন্তুষ্ট হ’ল, কিয়নো তেওঁ নিবিচাৰে যে মানুহে তেওঁক ৰসায়নবিদ বুলি কওক। কিন্তু ন’বেল বঁটা মানে ন’বেল বঁটা, গতিকে তেওঁ সেই বঁটা গ্রহণ কৰিলে। সংস্কৃতত কৈছে, মহাজনো যেন গতঃ স পন্থা, সেয়ে যদিও মই সপোনতো নাভাবোঁ যে মানুহে মোক সাহিত্যিক বুলি কওক, তথাপি ‘ব্রহ্মপুত্র উপত্যকা সাহিত্য বঁটা’ হ’ল ‘ব্রহ্মপুত্র উপত্যকা সাহিত্য বঁটা’, গতিকে মই সবিনয়ে সেইটো গ্রহণ কৰি মোৰ স্বনামধন্য পূৰ্বগামীসকলৰ সংসৰ্গত সন্মিলিত হোৱাটোৱেই একমাত্র সুন্দৰ আৰু সমীচীন কাম। এই সুযোগতে মেগৰ শিক্ষান্যাস আৰু মোৰ নির্বাচকমণ্ডলীলৈ মোক এই সন্মান যচাৰ বাবে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু, বক্তিগত পৰ্যায়ত শ্ৰীযুত গৌতম বৰুৱা, শ্ৰীযুত পৰিমল বৰকাকতি আৰু শ্ৰীযুত ভৈৰৱ বৰালৈ তেখেতসকলৰ সৌজন্যৰ বাবে মোৰ কৃতজ্ঞতা প্রকাশ কৰিলোঁ। মোৰ এই সুদীৰ্ঘ, বিশৃংখল বক্তব্যখিনি ইমান সময় ধৰি সদয় ধৈৰ্যেৰে শুনি যোৱা বাবে উপস্থিত সুধীবৃন্দলৈও মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সঁচাকৈয়ে আপোনালোকৰ সুসান্নিধ্যত মই সুখী।